৩ পৃষ্ঠাত ৪ পৃষ্ঠাত

RNI
Por
e-m

# অসম আদিত্য

আহিন, ১৯৪৭ শক ■ শুকুৰবাৰ, ১০ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, October 10, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ

, চাহ শ্ৰমিকৰ সম্পাদক চুনু ওৰাঙে জানিবলৈ দিছে।

## গতি মঃ ইংৰাজী সংগীত কৰ্মশালা



ব্ৰুগড় জিলাৰ বৰবৰুৱা শিক্ষাখণ্ডৰ অন্তৰ্গত দ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ স'তে সংগতি সংগীত কৰ্মশালা। ডেৰমাহ ধৰি আয়োজন াজি বিদ্যালয় প্ৰাংগণত আনুষ্ঠানিকভাৱে ৰো অধিক শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত

## কানৈ কলেজত স্থাপন কৰিব গণশিল্পী সুধাকণ্ঠ-হাৰ্টথ্ৰ'বৰ প্ৰতিমূৰ্তি

**ষ্টাফ ৰিপৰ্টাৰ, ৯ অক্টোবৰ ঃ** উজনি অসমৰ অন্যতম পুৰণি উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ই অসমৰ সংগীত জগতৰ দুগৰাকী জনপ্ৰিয় গণশিল্পী, প্ৰতিভূ প্ৰয়াত ভাৰতৰত্ন ড০ ভূপেন হাজৰিকা আৰু সদ্যপ্ৰয়াত সংগীতৰ কিংবদন্তি জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে। এই শ্ৰদ্ধাঞ্জলিৰ অংশ হিচাপে মহাবিদ্যালয়খনৰ চৌহদত জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ উদ্যোগত ড০ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ জীৱন্ত প্ৰতিমূৰ্তি স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰতিমূৰ্তিসমূহ কেৱল স্মৃতিসৌধ হিচাপেই নহয়, অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ চিৰস্থায়ী প্ৰতীক হিচাপে গ্ৰহণ কৰি ভৱিষ্যৎ প্ৰজন্মক অনুপ্ৰাণিত কৰিবলৈ পৰিকল্পনা কৰা হৈছে। তদুপৰি জুবিন গাৰ্গৰ অনৱদ্য গীত সম্ভাৰৰ ইংৰাজী আৰু হিন্দী অনুবাদেৰে এখন গ্ৰন্থ প্ৰকাশৰ পৰিকল্পনা কৰা হৈছে। ভাষিক তথা ভৌগোলিক প্ৰাচীৰ অতিক্ৰম কৰি জুবিন গাৰ্গৰ সংগীতৰ সাৰমৰ্মক শ্ৰোতা-দৰ্শকৰ মাজলৈ অনাৰ লক্ষ্যৰে এই প্ৰয়াস কৰা হৈছে। এই সমগ্ৰ পৰিকল্পনাটো জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ পৃষ্ঠপোষকতাত সম্পাদন হ'ব বুলি ফাউণ্ডেশ্যনৰ পৰিচালন ন্যাসৰক্ষী তথা কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য জ্যোতি প্ৰসাদ কানৈয়ে অৱগত কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ কৰ্মৰাজিক স্বীকৃতি দি কয়— জুবিন গাৰ্গ কেৱল সংগীতৰ প্ৰতিভাই নহয় ৰাইজৰ কণ্ঠও আছিল। তেওঁৰ গীতে সপোন, সংগ্ৰাম, আকাংক্ষাৰ কথা কৈছিল, সাধাৰণ জনতাৰ আবেগক ধৰি ৰাখিছিল। অধ্যক্ষগৰাকীয়ে জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনে লোৱা পদক্ষেপসমূহৰ শলাগ জনোৱাৰ লগতে ফাউণ্ডেশ্যনৰ কৰ্মকৰ্তাসকলক এনে এটি সুন্দৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।



## জুবিন গাৰ্গৰ ফটোত স্বাক্ষৰ কৰি

**ষ্টাফ ৰিপৰ্টাৰ, ৯ অক্টোবৰ ঃ** আডি লেডিজ ক্লাবে অসমৰ সাংস্কৃতি মহানায়ক জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জ কৰে। অৰ্ধশতাধিক সদস্য উপ



ডিব্ৰুগড়ক ৰক্ষাৰ বাবে খহনী

খো